নিয়মীয়া বাৰ্তা
সোমবাৰ, ৩০ ছেপ্টেম্বৰ ২০১৯



# ২০১৯ চনৰ ৩১ আগষ্টত প্ৰকাশিত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী ঃ এটি বিশ্লেষণ

■ প্ৰদীপ কুমাৰ ভূঞা

**অসমৰ** বেছিভাগ মানুহেই এই কথা ভাবি হতাশ হৈছে যে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী প্ৰস্তুত কৰিবলৈ কৰা এনে বিপুল প্ৰয়াসৰ পিছত ৩২৯ লাখ আবেদনকাৰীৰ ভিতৰত মাত্ৰ ১৯ লাখ বা প্ৰায় সিমানসংখ্যক বিদেশীহে চিনাক্ত হ'ল। কিন্তু ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ শুদ্ধ পৰিপ্ৰেক্ষিত পাবলৈ হ'লে আমি অসমৰ সকলো বিদেশীকে সামৰি লোৱা এখন সামগ্ৰিক চিত্ৰ আমাৰ চকুৰ আগত ৰাখিব লাগিব; কেৱল ৩২৯ লাখ আবেদনকাৰী আৰু তেওঁলোকৰ মাজৰ পৰা বিদেশী বুলি চিনাক্ত কৰা ১৯ লাখ মানুহৰ খণ্ডিত চিত্ৰৰ মাজেদি চালে আমি সেই শুদ্ধ পৰিপ্ৰেক্ষিত বিচাৰি নাপাম।

সমগ্ৰ বিষয়টো গভীৰভাৱে বুজিবলৈ হ'লে আমি প্ৰথমতে বিচাৰ কৰি চাব লাগিব— ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত স্থান পাবলৈ অধিকাৰ থকা কিমানজন আবেদনকাৰী অসমত আছে। ২০১১ চনৰ ভাৰতৰ লোকপিয়লৰ প্ৰতিবেদনত পোৱা তথ্য অনুযায়ী ভাষাৰ ভিত্তিত অসমৰ জনসংখ্যাৰ যি তথ্য পোৱা গৈছে, তাৰ লগত ২০১৫ চনৰ লোকপিয়লত প্ৰক্ষেপিত ৩৩৯ লাখ মানুহৰ সংখ্যাটো কম-বেছি পৰিমাণে মিলি গৈছে। এই প্ৰসংগত ধৰি ল'ব পাৰি যে যদি ভাষাৰ ভিত্তিত অসমৰ আটাইবোৰ অৰ্হতাসম্পন্ন মানুহেই ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত অন্তৰ্ভুক্ত হ'বলৈ আবেদন কৰিছে, তেন্তে ৩২৯ লাখ আবেদনকাৰীৰ বাহিৰে আন কোনো বিদেশীৰ আবেদন কৰিব পৰাৰ অৱকাশ নাই। কিন্তু দেখা গৈছে যে ১৯৭১ চনৰ পৰা এটা বিশেষ ভাষা-গোষ্ঠীৰ মানুহৰ সংখ্যা চকুত পৰাকৈ বৃদ্ধি পাব ধৰিছে; প্ৰায় ২৮ লাখ মানুহ অতিৰিক্ত বৃদ্ধি হৈছে। এই কথা ধৰি ল'ব পাৰি যে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত স্থান পাবলৈ আবেদন কৰা ৩২৯ লাখ মানুহৰ ভিতৰত উপৰিউক্ত বিশেষ ভাষা-গোষ্ঠীৰ প্ৰায় ৩০ লাখ মানুহে আবেদন কৰিছে। অৰ্থাৎ মুঠ ৩২৯ লাখ আবেদনকাৰীৰ তালিকাত স্থান পাব পৰাকৈ আন কোনো বৃহৎসংখ্যক বিদেশীয়ে আবেদন কৰিব পৰাৰ অৱকাশ নাই। যদি সেইটোৱেই হয়, তেন্তে ২০১৫ চনৰ ৩৩৯ লাখ জনসংখ্যা আৰু ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত অন্তৰ্ভুক্ত হ'বলৈ আবেদন কৰা ৩২৯ লাখ মানুহৰ ভিতৰত ১০ লাখ মানুহৰ ব্যৱধান দেখা গৈছে। যদি সকলো বিদেশীয়ে আবেদন কৰিলেহেঁতেন তেন্তে সেই ১০ লাখৰ ব্যৱধানটো পূৰণ হ'লহেঁতেন আৰু আবেদনকাৰীৰ সংখ্যা হয়তো ৪০০ লাখৰ ওচৰ পালেহেঁতেন। আবেদনকাৰীৰ সংখ্যা ৩২৯ লাখ হোৱাটোৱে এই কথাই প্ৰমাণ কৰে যে সদ্যপ্ৰকাশিত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত অসমৰ সকলো বৈধ নাগৰিকে স্থান পাইছে— যাক ক'ব পাৰি House-ful পৰিস্থিতি। অৰ্থাৎ নাগৰিকপঞ্জীত অতিৰিক্ত মানুহৰ কাৰণে স্থান নাই।

কিন্তু ওপৰত লিখাৰ দৰে এটা বিশেষ ভাষা-গোষ্ঠীৰ প্ৰায় ২৮ লাখ বিদেশীয়ে নাগৰিকপঞ্জীত স্থান পাবলৈ আবেদন কৰিছে। আমি এই কথাও ধৰি ল'ব পাৰোঁ যে কিছুসংখ্যক থলুৱা মানুহে আবেদন কৰা নাই আৰু তেওঁলোকৰ খালী ঠাই পূৰাইছে বিদেশীয়ে। এই প্ৰসংগত এটা কথা বোধহয় যুক্তিসংগতভাৱে বিশ্বাস কৰিব পাৰি যে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত অন্তৰ্ভুক্ত হ'বলৈ আবেদন কৰা ৩২৯ লক্ষ মানুহৰ ভিতৰত প্ৰায় ৩০ লক্ষ মানুহ বিদেশী; তেওঁলোকৰ ভিতৰত ১৯ লাখ মানুহক বিদেশী বুলি চিনাক্ত কৰা হৈছে। যদি আমি ধৰি লওঁ যে সেই ১৯ লাখ মানুহৰ ভিতৰত প্ৰায় ২ লাখ থলুৱা মানুহ আৰু আৱশ্যকীয় নথিপত্ৰৰ অভাৱত তেওঁলোকে আবেদন কৰিব নোৱাৰিলে, তেন্তে ক'ব পাৰি যে প্ৰায় ১৭ লাখ মানুহক বিদেশী বুলি চিনাক্ত কৰা হৈছে। অৱশ্যে এই সংখ্যাবোৰে এটা মোটামুটি হিচাপহে দাঙি ধৰিছে।

**ওপৰৰ তথ্যবোৰৰ পৰা এই কথা স্পষ্ট হৈছে যে বেছিভাগ বিদেশীয়েই বিদেশী বুলি চিনাক্ত হোৱাৰ ভয়ত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত আবেদন কৰা নাই।**

**অসমত মুঠতে কিমান বিদেশী আছে? এই প্ৰশ্নৰ উত্তৰ কোনেও বোধহয় সম্পূৰ্ণ কৰ্তৃত্বসহকাৰে দিব নোৱাৰে। কাৰণ বাংলাদেশৰ যুদ্ধৰ সময়ত পূব পাকিস্তানৰ সৈন্যবাহিনীৰ দ্বাৰা নিগৃহীত হৈ মুঠতে কিমান মানুহ বাংলাদেশৰ পৰা আহি অসমত প্ৰৱেশ কৰিছিল, তাৰ কোনো নিৰ্ভৰযোগ্য তথ্য নাই। তদুপৰি ১৯৭১ চনৰ পৰা যোৱা ৫০ বছৰত প্ৰতিবছৰে কিমান বিদেশী অসমৰ অৰক্ষিত সীমান্ত অতিক্ৰম কৰি অসমত প্ৰৱেশ কৰিছে, তাৰো কোনো তথ্য পাবলৈ নাই।**

ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্বাচনী তথ্যৰ ভিত্তিত অভিজিৎ শৰ্মাই ২০০৯ চনত উচ্চতম ন্যায়ালয়ত দাখিল কৰা আবেদনত উল্লিখিত তথ্যৰ পৰা আমি বোধহয় এনে এটা বাস্তৱসন্মত সংখ্যাত উপনীত হ'ব পাৰোঁ যে ২০০৬ চনৰ অসমৰ ভোটাৰ তালিকাত ৪১ লাখ অতিৰিক্ত ভোটাৰ আছিল। যিহেতু সেই অতিৰিক্ত ভোটাৰখিনিক সৰ্বভাৰতীয় ভোটাৰৰ সংখ্যা বৃদ্ধিয়ে সামৰি নলয়, সেই কাৰণে এই অতিৰিক্ত ভোটাৰখিনি বাংলাদেশী বিদেশীয়েই হ'ব লাগিব। অসমৰ ভোটাৰ তালিকাত যে ৪১ লাখ অতিৰিক্ত ভোটাৰ আছে আৰু সেই অতিৰিক্ত ভোটাৰখিনিক বাংলাদেশী বিদেশী বুলি ধৰি ল'ব পাৰি, সেই কথা উচ্চতম ন্যায়ালয়ত গোচৰ দাখিল কৰা লোকসকলে বা আনকি নিৰ্বাচন আয়োগেও অস্বীকাৰ কৰা নাই।

২০০৬ চনৰ ভোটাৰ তালিকাত নাম থকা বাংলাদেশী বিদেশী ৪১ লাখ। ২০০৬ চনত অসমত বসবাস কৰা বাংলাদেশী বিদেশীৰ সংখ্যা ৮২ লাখ। স্বতঃসিদ্ধ বুলি ধৰি লোৱা নিয়ম অনুযায়ী এই জনসংখ্যাৰ ভিতৰত প্ৰায় ৫০% হ'ব লাগিব ভোটাৰ। ২০০৬ চনত অসমত বসবাসকাৰী ৮২ লাখ বাংলাদেশী বিদেশীৰ সংখ্যাটো যদি প্ৰতি দশকত ২৫% ৰক্ষণশীল বৃদ্ধিৰ হাৰত ২০১৫ চনলৈ প্ৰক্ষেপ কৰা যায়, তেন্তে ২০১৫ চনত অসমত থকা বাংলাদেশী বিদেশীৰ সংখ্যা হ'ব ১০০ লাখ। আমি আনকি যদি ১৯৮১ চনৰ পৰা ২০১১ চনৰ ভিতৰত অসমৰ জনসংখ্যা বৃদ্ধিৰ হাৰটো বিবেচনা কৰি চাওঁ, তেন্তে দেখিবলৈ পাওঁ যে এই সময়ছোৱাৰ ভিতৰত অৰ্থাৎ ১৯৮১ আৰু ২০১১ চনৰ ভিতৰত অসমত প্ৰতি দশকত জনসংখ্যা বৃদ্ধিৰ হাৰ আছিল ২০%। এই একে সময়ছোৱাৰ ভিতৰত সৰ্বভাৰতীয় জনসংখ্যা বৃদ্ধিৰ হাৰ আছিল প্ৰতি দশকত ২১%। কিন্তু ১৯৮৩ৰ পৰা ২০১১ চনৰ ভিতৰত অসমৰ ভোটাৰৰ সংখ্যা বৃদ্ধিৰ হাৰ হ'ল ৩৫%। আমি যদি ভোটাৰৰ সংখ্যা বৃদ্ধিৰ হাৰ এৰাধৰা কৰি ২৮% বুলিও ধৰি লওঁ আৰু ১৯৮১ চনৰ লোকপিয়ল অনুযায়ী অসমৰ মুঠ জনসংখ্যা ১৮০ লাখ বুলি গ্ৰহণ কৰোঁ, তেন্তে ২০১৫ চনত অসমৰ জনসংখ্যা হ'ব লাগিব ৪২০ লাখ। লোকপিয়লৰ প্ৰতিবেদন অনুযায়ী ২০১৫ চনত অসমৰ জনসংখ্যা হ'ল ৩৩৯ লাখ। ৪২০ লাখৰ পৰা ৩৩৯ লাখ বিয়োগ কৰিলে অসমত বাংলাদেশী বিদেশীৰ সংখ্যা হয় ৮১ লাখ। ২০১৮ চনৰ ২৬ জুলাইৰ 'টাইমছ অৱ ইণ্ডিয়া' কাকতখনৰ প্ৰথম পৃষ্ঠাতে প্ৰকাশ কৰা এটা বাতৰি অনুযায়ী কেন্দ্ৰীয় এজেন্সীবোৰে অসমত ১ কোটি মানুহে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত অন্তৰ্ভুক্ত হ'বলৈ আবেদন কৰা নাই বুলি প্ৰকাশ পাইছে, তাৰ অৰ্থ হয় এইটো যে ২০১৫ চনত অসমত ১ কোটি বাংলাদেশী বিদেশী আছিল।

২০০৪ চনৰ ১৪ জুলাইত সংসদত উত্থাপিত হোৱা এটা তাৰকাচিহ্নিত প্ৰশ্নৰ উত্তৰত সেই সময়ত ৰাজ্যিক স্বৰাষ্ট্ৰৰ মন্ত্ৰী প্ৰকাশ জয়ছোৱালে কৈছিল— 'চৰকাৰে পোৱা হিচাপ মতে ২০০৩ চনৰ ১২ ডিচেম্বৰ তাৰিখত অসমত থকা অবৈধ বাংলাদেশী আছিল ৫০ লাখ।

আমি যদি প্ৰতি দশকত জনসংখ্যা বৃদ্ধিৰ হাৰ শতকৰা ২.৫ বুলি ধৰি লওঁ, তেন্তে ২০১৫ চনত অসমত অবৈধ বাংলাদেশীৰ সংখ্যা হ'ব ৬৪ লাখ (প্ৰায় ৬৫ লাখ)।

ওপৰৰ বিশ্লেষণৰ ওপৰত ভিত্তি কৰি আমি নিৰাপদভাৱে এই কথা ধৰি ল'ব পাৰোঁ যে অসমত থকা বাংলাদেশী বিদেশীৰ সংখ্যা ৮০ লাখ আৰু ১০০ লাখৰ ভিতৰত হ'ব।

এই ৮০ লাখ বাংলাদেশী বিদেশীৰ ভিতৰত প্ৰায় হয়তো ১১ লাখ বিদেশীয়ে জাল নথিপত্ৰৰ সহায়েৰে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত নাম লিপিবদ্ধ কৰাব পাৰিছিল আৰু তেওঁলোকক চিনাক্ত কৰা হোৱা নাই। নাগৰিকপঞ্জীৰ পৰা বাদ পৰা ১৭ লাখ বাংলাদেশী বিদেশীক চিনাক্ত কৰা হৈছে। ৫২ লাখ বা প্ৰায় সিমানসংখ্যক বাংলাদেশী বিদেশীয়ে নাগৰিকপঞ্জীত নিজৰ নাম অন্তৰ্ভুক্ত কৰাবলৈ আবেদন কৰা নাই আৰু গতিকে নাগৰিকপঞ্জীত তেওঁলোকৰ নাম নাই। নাগৰিকপঞ্জী প্ৰণয়নৰ প্ৰক্ৰিয়াত ৫২ লাখ বিদেশী আবেদন কৰাৰ পৰা বিৰত কৰি ৰাখিলে, কাৰণ তেওঁলোকে ভয় কৰিছিল যে আবেদন কৰিলেই তেওঁলোক বিদেশী বুলি চিহ্নিত হোৱাৰ আশংকা থাকিব।

ওপৰত দিয়া মোটামুটি হিচাপটোৱে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী প্ৰণয়নৰ প্ৰক্ৰিয়াৰ এখন বহল ছবি দাঙি ধৰিছে আৰু এই ছবিখনে এই কথা প্ৰমাণ কৰিছে যে বিদেশী বুলি চিহ্নিত হোৱাৰ ভয়ত লাখ লাখ বাংলাদেশী বিদেশীয়ে আবেদনেই নকৰিলে আৰু তাৰ ফলত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ পৰা তেওঁলোকৰ নাম বাদ পৰিল।

অসমত থকা বাংলাদেশী বিদেশীৰ সংখ্যা ৮০ লাখৰ পৰা ১০০ লাখৰ ভিতৰত যিকোনো এটা হ'ব পাৰে; কিন্তু সংখ্যাটো যিয়েই নহওক কিয়, সংখ্যাগৰিষ্ঠ বাংলাদেশী বিদেশীয়ে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত নিজৰ নাম অন্তৰ্ভুক্ত কৰাবলৈ আবেদন কৰা নাছিল আৰু সেই কাৰণেই তেওঁলোকৰ নাম ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত নাই। শুদ্ধ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ কাৰণে ই এটা শুভ সংবাদ।

**ভোটাৰ তালিকা ঃ**

এই কথা সৰ্বজনবিদিত যে সকলো বাংলাদেশী বিদেশীৰ নাম অসমৰ ভোটাৰ তালিকাত আছে। ই এটা তৰ্কাতীত সত্য।

অসমৰ ভোটাৰ তালিকাত যিসকল বিদেশীৰ নাম আছে, তেওঁলোকক চিনাক্ত কৰিবলৈ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী নামৰ দলিলখন প্ৰধান সঁজুলি হিচাপে ব্যৱহাৰ কৰিব লাগিব। যিবোৰ ভোটাৰৰ নাম ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত নাই, তেওঁলোকক সন্দেহজনক নাগৰিক বুলি গণ্য কৰিব লাগিব। বিদেশী ট্ৰিবিউনেলে ডি ভোটাৰসকলৰ নাগৰিকত্ব প্ৰমাণিত বুলি ঘোষণা নকৰালৈকে তেওঁলোকৰ নাম অসমৰ ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰিব লাগিব।

**এতিয়া আমি কি কৰিব লাগিব ঃ**

মহামান্য উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশত ২০১৯ চনৰ ৩১ আগষ্ট প্ৰকাশিত নাগৰিকপঞ্জী অতি সোনকালে চূড়ান্ত নথি বুলি ঘোষণা কৰা উচিত, কিন্তু তাক কাৰ্যকৰী কৰা প্ৰক্ৰিয়াটো উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ অনুযায়ী ধাৰ্য কৰিব লাগিব। যিসকল থলুৱা মানুহৰ নাম বাদ পৰিছে তেওঁলোকে যথাসম্ভৱ সহজ উপায়েৰে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত নিজৰ নাম অন্তৰ্ভুক্ত কৰাবলৈ সুযোগ পাব লাগিব। যিসকল বিদেশীৰ নাম ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীত সোমাইছে, তেওঁলোকৰ বিষয়ে নিৰ্দিষ্ট আপত্তি ভিত্তিত তদন্ত হ'ব লাগিব। আৰু কিছুমান সন্দেহযুক্ত অঞ্চলত পুনৰ পৰীক্ষা কৰাৰো ব্যৱস্থা কৰিব লাগিব। আমি এই কথা উপলব্ধি কৰিব লাগিব যে ৩২৯ লাখ মানুহ জড়িত হৈ থকা এই বিশাল প্ৰক্ৰিয়াটোত কিছু ভুল-ভ্ৰান্তি থাকিবই আৰু মাত্ৰ এক শতাংশ ভুলে প্ৰায় তিনি লাখ মানুহৰ জীৱন প্ৰভাৱিত কৰিব।

কিন্তু আমি অগ্ৰাধিকাৰ দিব লাগিব এইটো কথাত যে অসমৰ ভোটাৰ তালিকাৰ পৰা সকলো বিদেশীৰ নাম বাদ দিবলৈ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী নামৰ এই দলিলখনক মানি ব্যৱহাৰ কৰিব লাগিব। যিহেতু বিদেশী বুলি চিহ্নিত হোৱাৰ ভয়ত বেছিভাগ বাংলাদেশী বিদেশীয়েই ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত অন্তৰ্ভুক্ত হ'বলৈ আবেদন কৰা নাই, গতিকে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ সহায়েৰে অসমৰ ভোটাৰ তালিকাৰ পৰা বেছিভাগ বিদেশীৰ নাম বাদ দিবলৈ এইটোৱেই হ'ল সুবৰ্ণ সুযোগ। বিদেশীসকলে যি বিপজ্জনক কৌশলেৰে ৰাজনৈতিক ক্ষমতা দখল কৰিবলৈ ষড়যন্ত্ৰ কৰিছে, সেই ষড়যন্ত্ৰ ব্যৰ্থ কৰাৰো এইটোৱেই সুযোগ। অসমৰ এজন ভূতপূৰ্ব ৰাজ্যপাল অৱসৰপ্ৰাপ্ত জেনেৰেল এছ কে সিনহাই এইবুলি আশংকা কৰিছিল যে এনে এটা দিন আহিব পাৰে যিদিনা এজন বিদেশীও অসমৰ মুখ্যমন্ত্ৰী হ'ব পাৰে। সেই আশংকা চিৰকাললৈ দূৰীভূত কৰিবলৈ এইটোৱেই উপযুক্ত সময়।

আমি যদি বাস্তৱ বুদ্ধিৰ অভাৱত এই সুযোগ নষ্ট কৰোঁ আৰু তাৰ ফলত সমগ্ৰ প্ৰক্ৰিয়াটো শীতলীভঁৰালত আবদ্ধ কৰি পেলোৱাৰ ব্যৱস্থা কৰোঁ, তেন্তে অসমৰ ভৱিষ্যৎ সম্পূৰ্ণভাৱে বিপন্ন হ'ব আৰু অসমৰ আগামি প্ৰজন্মৰ লোকসকলৰো নিৰাপত্তা নোহোৱা হ'ব।

**লেখক ঃ আইআইটিয়ান, জ্যেষ্ঠ নাগৰিক**